# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 02-03-2025

**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

৯ দিনৰ বিৰতিৰ মূৰত অসম বিধানসভাৰ বাজেট অধিৱেশনৰ কাৰ্যক্ৰমণিকা কাইলৈৰ পৰা দিছপুৰত অনুষ্ঠিত হ'ব। কাইলৈৰ পৰা শুকুৰবাৰলৈ সদনৰ বৈঠকৰ সময়ছোৱাত কেইবাখনো বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ৰাজ্যখনৰ সাধাৰণ বাজেট উত্থাপন কৰিব। ১১ আৰু ১২ মাৰ্চত বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ১৩ৰ পৰা ২০ মাৰ্চলৈ সদনৰ স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে বিধানসভাৰ কাম-কাজ স্থগিত থাকিব। ২১, ২৪ আৰু ২৫ মাৰ্চত পুনৰ সদনৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হ'ব আৰু ২৫ মাৰ্চত অসম বিধানসভাৰ এইবাৰৰ অধিৱেশন অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখা হ'ব। উল্লেখযোগ্য যে যোৱা ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰত প্ৰথম দিনৰ কাৰ্যসূচীত ৰাজ্যপালৰ ভাষণেৰে এই অধিৱেশন আৰম্ভ হৈছিল।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিধানসভা অধিৱেশন অনুষ্ঠিত হোৱা দিনত প্ৰতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ মিনিটৰ বাবে **বিধানসভাত আজিৰ দিনটো** শীৰ্ষক প্ৰচাৰ কৰিব। ইয়াৰ উপৰি ১০ মাৰ্চত বিত্তমন্ত্ৰীয়ে সদনত দিয়া বাজেট ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ সম্প্ৰচাৰ কৰিব।

ooooo

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আজি আৰম্ভ হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে ৰমজান মাহৰ ৰোজা পালন কৰে। ইছলাম ধৰ্মৰ ৰীতি আৰু পৰম্পৰা অনুসৰি দিনটো উপবাসে থকাৰ পাছত ইফতাৰৰ জৰিয়তে ৰোজা ভাঙে আৰু খাদ্য গ্ৰহণ কৰে। ৰমজানৰ ৰোজা বাবে সম্প্ৰতি বিভিন্ন ফল, খেজুৰ, চেৰে, চৰ্বত আদি খাদ্য সামগ্ৰীৰে বজাৰ ভৰি পৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ ৰমজান মাহ উপলক্ষে দেশৰ ইছলাম ধৰ্মাৱলম্বী লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooo

উজনি মাজুলীৰ শ্ৰীশ্ৰী এলেংগী নৰসিংহ সত্ৰৰ ২৮০ বছৰীয়া প্ৰতিষ্ঠা দিৱস আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। এই উপলক্ষে নৱনিৰ্মিত মণিকূট গৃহৰ দ্বাৰ মুকলি আৰু সত্ৰাধিকাৰৰ অভিষেক কাৰ্যসূচীৰ আয়োজন কৰা হয়। আজি উষা কীৰ্তন আৰু সামূহিক চাফাই অভিযানৰ পাছত উদযাপন সমিতিৰ সভাপতি প্ৰবীণ চন্দ্ৰ মহন্তই ধৰ্মধ্বজা উত্তোলন কৰে। ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে নৱনিৰ্মিত মণিকূট গৃহৰ দ্বাৰ মুকলি কৰাৰ পাছত আসন প্ৰতিষ্ঠা আৰু কলিয়া গোঁসাইক স্নান কৰাই স্থাপন কৰা হয়।

কাইলৈ পালনামৰ লগতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। পৰহিলৈ সত্ৰখনৰ ২৮০ বছৰীয়া প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি ২৮০টা গছপুলি ৰোপন কৰা হ'ব।

00000

সমগ্ৰ শিক্ষা, তিনিচুকীয়াৰ সৰ্বাত্মক শিক্ষা কোষে আজি ২০২৪-২৫ বৰ্ষৰ বাবে দিব্যাংগ শিশুৰ মাজত সহায়ক সঁজুলি বিতৰণ কৰে। এই উপলক্ষে পি এম শ্ৰী আদৰ্শ প্ৰাথমিক বিদ্যালয়ত আয়োজিত অনুষ্ঠানত জিলাখনৰ মুঠ ১৬২ জন বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীক হুইল চেয়াৰ, ট্ৰাই চাইকেল, শিকন-শিক্ষণ সঁজুলি আদি প্ৰদান কৰা হয়। ইয়াৰে ৫৯ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত শ্ৰৱণ যন্ত্ৰ বিতৰণ কৰা হয়। এই অনুষ্ঠানত তিনিচুকীয়া জিলাৰ সহকাৰী আয়ুক্ত মাধুৰিমা দিহিঙীয়া, তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি পুলক চেতিয়া, জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা বিদ্যালয়সমূহৰ পৰিদৰ্শক কবিতা ডেকা উপস্থিত থাকে।

00000

ৰাজ্য চৰকাৰে পৰহিলৈ গুৱাহাটীৰ খানাপাৰাত থকা গ্ৰীণ উড ৰিজোৰ্টত নিয়োগকৰ্তাৰ অভিৱৰ্তন ২০২৫ শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। ৰাজ্যখনৰ প্ৰতিভাবান যুৱক-যুৱতীসকলক সুযোগ সন্ধানৰ সুবিধা দিয়াৰ বাবে এই অভিৱৰ্তনৰ আয়োজন কৰা হৈছে। তদুপৰি এই অনুষ্ঠানৰ জৰিয়তে নিয়োগ বিনিময় কাৰ্যসূচীসমূহ সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। এই কাৰ্যসূচীত মুকলি আলোচনা আৰু উন্নয়নৰ বাবে যোগাযোগ বৃদ্ধিৰ প্ৰয়াস চলোৱা হ'ব। ৰাজ্য চৰকাৰে এই অনুষ্ঠানত অধিক সংখ্যক লোকৰ অংশগ্ৰহণ কামনা কৰিছে।

00000

শিৱসাগৰত অহা ১৮ মাৰ্চৰ পৰা ৩০ মাৰ্চলৈ পঞ্চম সংখ্যক সদৌ অসম আন্তঃজিলা পাঞ্জা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। শিৱসাগৰত আজি অনুষ্ঠিত এখন সংবাদমেলত উদযাপন সমিতিৰ সভাপতি তথা প্ৰাক্তন বিধায়ক কুশল দুৱৰীয়ে এই বিষয়ে সদৰি কৰে। তেওঁ কয়, যে শিৱসাগৰ জিলা পাঞ্জা সন্থাৰ উদ্যোগত আৰু সদৌ অসম পাঞ্জা ক্ৰীড়া সন্থাৰ সহযোগত হ'বলগীয়া এই প্ৰতিযোগিতাত প্ৰায় ৩০০ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব। পুৰুষ আৰু মহিলা উভয় শাখাত হ'বলগীয়া এই প্ৰতিযোগিতাখনত ৫৫টা বিভিন্ন ওজন শাখাৰ খেল থাকিব।

00000

গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত তথা ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সহযোগত চলি থকা ৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ফুটবল প্ৰতিযোগিতাৰ অন্তিম ৰাউণ্ডৰ খেল আজিৰ পৰা অনুষ্ঠিত হৈছে। জজ খেলপথাৰত অনুষ্ঠিত অন্তিম ৰাউণ্ডৰ প্ৰথমখন খেলত উত্তৰ-পূব ৰে'লৱে বাৰেকুৰি এফ চিৰ মুখামুখি হৈছে। খেলখনৰ পূৰ্বে অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি বিভিন্ন জনগোষ্ঠীয় নৃত্য-গীত পৰিৱেশন কৰা হয়। উল্লেখযোগ্য যে এইবাৰ বৰদলৈ ট্ৰফী তিনিটা পৰ্যায়ত ৩৫ খন জিলাত অনুষ্ঠিত হৈছে।

00000

সমাপ্ত